No E Px 9/2017/Pt/219

# জাননী

"মুখ্যমন্ত্ৰী বিশেষ বৃত্তি আঁচনি"-২০১৪ ৰ অধীনত প্ৰদান কৰা Fixed Deposit Receipt সমূহ এই বছৰ পৰিপক্ক (Matured) হৈছে। IDBI বেংকে জনোৱা মতে বেংকৰ ফালৰ পৰা অসমৰ শিক্ষাৰ্থীসকলৰ বৃহত্তৰ স্বাৰ্থত Fixed Deposit Receipt সমূহ সময়মতে নবীকৰণ (Renewal) কৰাৰ লগতে সুত প্ৰদান কৰাৰো ব্যৱস্থা লৈছে।

IDBI বেংকৰ গুৱাহাটীৰ GS Road শাখাৰ লগত হোৱা আলোচনামৰ্মে তলত দিয়া ব্যৱস্থা সমূহ গ্ৰহণ কৰা হৈছে—

(১) অসমৰ সকলো জিলাৰ IDBI বেংকৰ শাখাসমূহত শিক্ষাৰ্থীসকলৰ পৰা Fixed Deposit Receipt সমূহ গ্ৰহণ কৰা হ'ব আৰু শিক্ষাৰ্থীৰ বেংক একাউণ্টত সম্পূৰ্ণ টকা জমা কৰাৰ ব্যৱস্থা IDBI বেংকৰ ফালৰ পৰা কৰা হ'ব। শিক্ষক/ মাতা-পিতা / শিক্ষাৰ্থীসকলক নিশ্চিন্ত মনে নিজ নিজ জিলাত থকা IDBI বেংকৰ শাখালৈ গৈ কাৰ্যালয় খোলা থকা দিনত ১০ বজাৰ পৰা ১২ বজাৰ ভিতৰত Fixed Deposit Receipt সমূহ জমা কৰিবলৈ অনুৰোধ জনোৱা হ'ল।

(২) শিক্ষাৰ্থী/অভিভাৱকসকলে তলত দিয়া স্ব-প্ৰত্যায়িত নথিসমূহ নিজ নিজ জিলাৰ IDBI বেংকৰ শাখাসমূহত জমা দিব লাগিব।

১। Fixed Deposit Receipt.

২। হিতাধিকাৰী ছাত্ৰ/ছাত্ৰীৰ নামত থকা বেংক পাছ বুক।

৩। হিতাধিকাৰী ছাত্ৰ/ছাত্ৰীৰ পৰিচয় পত্ৰ (School Identity Card)

৪। হিতাধিকাৰী ছাত্ৰ/ছাত্ৰীৰ জন্মৰ প্ৰমাণ পত্ৰ।

৫। হিতাধিকাৰী ছাত্ৰ/ছাত্ৰীৰ অভিভাৱকৰ KYC নথি (ভোটাৰ কাৰ্ড/আধাৰ কাৰ্ড/পান কাৰ্ড)।

(৩) নিজ জিলাৰ IDBI বেংকৰ শাখাৰ নাম www.idbibank.in ত পোৱা যাব বুলি IDBI বেংকৰ ফালৰ পৰা জনাইছে। যদি কোনো জিলাত IDBI শাখা নাই, তেতিয়া নিকটতম জিলাৰ IDBI বেংকৰ শাখাত Fixed Deposit Receipt খন জমা দিব লাগিব।

সঞ্চালক
প্ৰাথমিক শিক্ষা, অসম
কাহিলিপাৰা, গুৱাহাটী-১৯

Janasanyog/D/2833/20